# দি আসাম কো-অপাৰেটিভ জুট মিলচ্ লিমিটেড

শিলঘাট ঃ নগাঁও ঃ অসম

পিন - ৭৮২১৪৩

## জাননী

ইয়াৰ দ্বাৰা 'দি আসাম কো-অপাৰেটিভ জুট মিলচ্ লিমিটেড'ৰ অংশীদাৰসকলক জনোৱা হয় যে, অহা ইংৰাজী ৩০/০৯/২০২৩ তাৰিখ শনিবাৰে দিনৰ ১১ (এঘাৰ) বজাত নাট্য মন্দিৰ (নগাঁও নাট্য সমিতি), আমোলাপট্টি জে.বি. ৰ'ড, নগাঁৱত নিম্নলিখিত কাৰ্যসূচীৰে সমিতিৰ পঞ্চদশ বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত কৰা হ'ব।

সভাত সমিতিৰ সকলো যোগ্য অংশীদাৰক উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

## কাৰ্য্যসূচী

১। সভাপতিৰ আসন গ্ৰহণ।

২। শোক প্ৰস্তাৱ পাঠ আৰু গ্ৰহণ।

৩। যোৱা ৩০-১১-২০২২ তাৰিখে অনুষ্ঠিত হোৱা চতুৰ্দশ বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্য্যবিবৰণী পাঠ আৰু গ্ৰহণ।

৪। ইংৰাজী ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন আৰু বিভাগীয় হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত লাভ-লোকচানৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰ পাঠ আৰু গ্ৰহণ।

৫। ইংৰাজী ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বিত্তীয় প্ৰাক্কলন আৰু উৎপাদন আঁচনিৰ অনুমোদন।

৬। সন্মানীয় অংশীদাৰ সদস্যসকলৰ মতামত ও বক্তব্য।

৭। আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিযুক্তি আৰু বৃত্তি মাচুল নিৰ্দ্ধাৰণ।

৮। অন্যান্য (সভাপতিৰ অনুমোদন সাপেক্ষে)।

৯। সভাপতিৰ মন্তব্য।

দি আসাম কো-অপাৰেটিভ জুট মিলচ্ লিমিটেডৰ সঞ্চালক মণ্ডলীৰ হৈ—

স্বাঃ গুণমণি গগৈ
পৰিচালন সঞ্চালক

দিনাংক ঃ ১৩/০৯/২০২৩

---

বিঃদ্রঃ (ক) মাননীয় অংশীদাৰসকলক সভালৈ আহোঁতে লগত এই জাননীখন চিনাক্তকৰণ পত্ৰ হিচাপে লৈ আহিবলৈ অনুৰোধ জনোৱা হ'ল।

(খ) সমবায় সমিতিৰ প্ৰতিনিধিয়ে সভাত যোগদান কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট সমবায় সমিতিৰ প্ৰস্তাৱৰ প্ৰত্যায়িত প্ৰতিলিপি কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদন কৰাই এজনকৈ প্ৰতিনিধি আহিবলৈ অনুৰোধ জনোৱা হ'ল।

(গ) বাৰ্ষিক সাধাৰণ সভাৰ বাবে অংশ হস্তান্তৰকৰণ প্ৰক্ৰিয়া ইংৰাজী ১৫-০৯-২০২৩ তাৰিখৰ পৰা ৩০ (ত্ৰিশ) দিনৰ বাবে বন্ধ থাকিব।